### হাজো সুৰেন দাস মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস

# ‘এটা ভাল ডিগ্ৰী হ’লেই নহয়, সামাজিক দায়বদ্ধতা থাকিব লাগিব’



হাজো ঃ নিজা বাতৰি দিওঁতা, ২৯ আগষ্ট ঃ ‘বিদ্যালয়-মহাবিদ্যালয়ত ভাল নম্বৰ বা ডিগ্ৰী ল’লেই নহয়। সামাজিক দায়বদ্ধতা থাকিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলে এজন ভাল নাগৰিক হ’ব লাগিব। আজিৰ মহাবিদ্যালয়খন প্ৰয়াত সুৰেন দাস নামৰ ব্যৱসায়ীজনে নিজৰ সামাজিক দায়বদ্ধতাৰ পৰিচয় দি আজিৰ পৰা ৪০ বছৰ পূৰ্বে ভৱনটো নিৰ্মাণ কৰি দিছিল। যাৰ জৰিয়তে ৪০ বছৰে হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰি নিজকে প্ৰতিষ্ঠিত হ’বলৈ সক্ষম হৈছে।’ আজি হাজো সুৰেন দাস মহাবিদ্যালয়ৰ ৪০সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগতে অসমৰ ৫০খন মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ মুকলি অনুষ্ঠানৰ মুখ্য অতিথিৰ ভাষণত শিক্ষামন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্যই এনেদৰে কয়। সভাৰ অন্তত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত কয় যে অপ্ৰাদেশীকৃত বিদ্যালয়, মহাবিদ্যালয়ৰ চাকৰিসমূহ পৰ্যায়ক্ৰমে ব্যৱস্থা গ্ৰহণ কৰিব বুলি কয়। সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰেক্টৰ হৰিপ্ৰসাদ শৰ্মাই মহাবিদ্যালয়ৰ বিজ্ঞান শাখা মুকলি কৰি কয় যে বিজ্ঞানৰ জৰিয়তে সভ্যতা অন্বেষণ কৰা হয়। গ্ৰাম্য অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থকা মেধাসমূহে হাজোৰ সুৰেন দাস মহাবিদ্যালয়ৰ পৰা এদিন নতুন দিগন্ত সূচনা কৰিব বুলি আশা প্ৰকাশ কৰিছে। মুকলি সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি তথা শিক্ষাবিদ ড° প্ৰবীণ চন্দ্ৰ দাসে। সভাত মহাবিদ্যালয়ৰ নিউজ লেটাৰ নামৰ পুস্তিকাখনো উন্মোচন কৰে শিক্ষামন্ত্ৰীয়ে।